যেতিয়া তোমালোকৰ মাজৰ কোনোবাই হামি কাঢ়ে তেতিয়া তেওঁ হাতেৰে মুখখন জাপি দিয়া উচিত। কাৰণ সেই সময়ত চয়তান প্ৰৱেশ কৰে।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছেঃ "যেতিয়া তোমালোকৰ মাজৰ কোনোবাই হামি কাঢ়ে তেতিয়া তেওঁ হাতেৰে মুখখন জাপি দিয়া উচিত। কাৰণ সেই সময়ত চয়তান প্ৰৱেশ কৰে।" [ছহীহ] [(মুছলিম)]

আমনি বা ভাগৰ লগা অৱস্থাত হামি কাঢ়িলে কি কৰিব লাগে সেই বিষয়ে দিশ নিৰ্দেশনা দি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, সেই সময়ত হাতেৰে মুখখন জাপ মাৰি বন্ধ কৰি ৰাখিব লাগে, কাৰণ সেই সময়ছোৱাত মুখখন খোলা থাকিলে ভিতৰত চয়তান প্ৰৱেশ কৰে। গতিকে হাতেৰে বন্ধ কৰিলে প্ৰৱেশ কৰিব নোৱাৰে।

https://sunnah.global/hadeeth/as/show/5280